# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 24-07-2024

**Time :** 0900 Hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। চলিত বৰ্ষৰ নীট ইউ-জি বাতিল কৰিবলৈ আৰু নতুনকৈ পৰীক্ষা অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিবলৈ উচ্চতম ন্যায়ালয়ৰ অস্বীকাৰ।

২। কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী, কৃষি মন্ত্ৰী আৰু বিদেশ মন্ত্ৰীক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সাক্ষাৎ।

৩। দুদিনীয়া কাৰ্যসূচীৰে ব্ৰিটেইনৰ বিদেশ মন্ত্ৰী ডেভিদ লেমিৰ ভাৰত ভ্ৰমণ।

*আৰু*

৪। নেপালক পৰাস্ত কৰি মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতৰ ছেমি ফাইনেলত প্ৰৱেশ।

0000000

উচ্চতম ন্যায়ালয়ে চলিত বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষা নীট ইউ-জি বাতিল কৰিবলৈ আৰু নতুনকৈ পৰীক্ষা অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিবলৈ অস্বীকাৰ কৰিছে। ইয়াৰ ফলত সমগ্ৰ দেশৰ চৰকাৰী আৰু ব্যক্তিগত চিকিৎসা মহাবিদ্যালয়সমূহত স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে আজিৰে পৰা পৰামৰ্শ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ পথ প্ৰশস্ত হৈছে।

বিষয়টোৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় নেতৃত্বাধীন এখন তিনিজনীয়া বিচাৰপীঠে কালি কয় যে ৫ মে'ত অনুষ্ঠিত পৰীক্ষাৰ স্বচ্ছতা প্ৰভাৱিত কৰিব পৰাকৈ ব্যৱস্থাগত ত্ৰুটিৰ বাবে প্ৰশ্নকাকত ফাদিল হোৱা বুলি কোনো প্ৰমাণ নাই। বিচাৰপীঠখনে কয় যে চলিত বৰ্ষৰ বাবে পৰীক্ষা নতুনকৈ অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিলে ২০ লাখৰো অধিক শিক্ষাৰ্থীৰ ওপৰত প্ৰভাৱ পৰিব আৰু নামভৰ্তিৰ সূচী বিঘ্নিত হ'ব।

00000000

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীক সাক্ষাৎ কৰে। তেওঁ বিদেশ মন্ত্ৰী এছ্ জয়শংকৰক সাক্ষাৎ কৰি এক্ট ইষ্ট নীতি শক্তিশালী কৰাৰ দিশত অসমৰ গঠনমূলক ভূমিকাৰ বিষয়ে আলোচনা কৰে। তদুপৰি বিদেশী বিনিয়োগকাৰীসকলক অসমৰ বিকাশৰ ক্ষেত্ৰত অংশীদাৰ হ'বলৈ উৎসাহিত কৰাৰ বাবে পদক্ষেপ লবলৈ তেওঁ আহ্বান জনায়। তদুপৰি ৰাজ্যখনক দক্ষিণ পূব এচিয়াৰ উপযুক্ত প্ৰৱেশদ্বাৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা আৰু কেন্দ্ৰীয় চৰকাৰৰ পদক্ষেপ সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে আলোচনা কৰে। ড০ শৰ্মাই কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানক কৰা সাক্ষাৎকালত অসমত প্ৰধানমন্ত্ৰীৰ গ্ৰাম চড়ক যোজনা আৰু এম জি এনৰেগা ৰূপায়ণ সম্পৰ্কে অৱগত কৰে। তদুপৰি ৰাজ্যখনত জৈৱিক কৃষি পদ্ধতি গ্ৰহণ আৰু কৃষি ক্ষেত্ৰত যোগান শৃংখলাত প্ৰতিবন্ধকতা আঁতৰোৱাৰ বাবে ভৱিষ্যতৰ পদক্ষেপসমূহৰ বিষয়েও আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক সাক্ষাৎ কৰি অসমত প্ৰতিৰক্ষা কৰিড'ৰ নিৰ্মাণ সন্দৰ্ভত আলোচনা কৰে। ইয়াৰ বাবে অসমত উপলব্ধ সুবিধা সম্পৰ্কে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীক অৱগত কৰি ৰাজ্যখনত প্ৰতিৰক্ষা সন্মিলন আয়োজন কৰাৰ বাবে বিশেষভাৱে গুৰুত্ব আৰোপ কৰে।

00000000

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত ইণ্ডিয়া পোষ্ট পেমেণ্ট্‌ছ বেংকৰ ১০০ টা শাখা স্থাপন কৰা হ'ব বুলি দেশৰ সাধাৰণ বাজেটত ঘোষণা কৰা হৈছে। ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয়লৈ আবণ্টিত পুঁজি বৃদ্ধি কৰা হৈছে। এইবেলি ড'নাৰ মন্ত্ৰালয়ৰ বাবে ৫ হাজাৰ ৯০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি আৰু আঞ্চলিক উন্নয়নৰ লক্ষ্যৰে বাজেটত ৰাজহ ব্যয় হিচাপে প্ৰায় দুহেজাৰ ৪০ কোটি টকা আৰু মূলধনী ব্যয় হিচাপে প্ৰায় ৩ হাজাৰ ৮৫৯ কোটি টকা ধাৰ্য কৰা হৈছে। উত্তৰ-পূব পৰিষদৰ আঁচনিৰ বাবে ৮২০ কোটি টকাৰ পুঁজি ধাৰ্য কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ পথ উন্নয়ন প্ৰকল্পৰ বাবে ২৮ কোটি ৫৬ লাখ টকা ধাৰ্য কৰা হৈছে। বিশেষ উন্নয়ন পেকেজৰ ভিতৰত বি টি চিৰ বাবে প্ৰায় ১৭৪ কোটি টকা, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ বাবে ৫০ কোটি টকা তথা ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদৰ বাবে ৬০ কোটি টকা ধাৰ্য কৰা হৈছে।

০০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। ৩ মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০০

শ্বিলঙৰ নিযুক্তি কাৰ্যালয়ে শোণিতপুৰৰ মিছামাৰী সেনা ছাউনিত অসমৰ কেইবাখনো জিলাৰ নিৰ্বাচিত প্ৰাৰ্থীৰ বাবে অগ্নিবীৰ নিযুক্তি সমাৰেশৰ আয়োজন কৰিছে। এই সমাৰেশ অহা ২৭ জুলাইলৈ অব্যাহত থাকিব। যোৱা এপ্ৰিল-মে' মাহত দেশজুৰি অনুষ্ঠিত প্ৰৱেশ পৰীক্ষাত শোণিতপুৰ, বিশ্বনাথ, নগাঁও আৰু মৰিগাঁও জিলাৰ উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে এই নিযুক্তি সমাৰেশৰ আয়োজন কৰা হয়। জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰই কালি যশৱন্ত ষ্টেডিয়ামত উপস্থিত হৈ প্ৰাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। উল্লেখযোগ্য যে নিযুক্তি সমাৰেশৰ সময়ত প্ৰায় এহেজাৰ ১০০ গৰাকী নিৰ্বাচিত অগ্নিবীৰ প্ৰাৰ্থীয়ে কঠিন বাছনি পৰীক্ষাৰ মাজেৰে পাৰ হ'ব লাগিব। প্ৰাৰ্থীসকলে শাৰীৰিক সক্ষমতা আৰু স্বাস্থ্য পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব।

০০০০০০০০

যশস্বী সংগীত পৰিচালক ৰমেন বৰুৱা যোৱা তিনিদিন ধৰি নিখোজ হৈ আছে। শ্ৰীবৰুৱাৰ সন্ধান বিচাৰি মহানগৰ আৰক্ষীয়ে ভিন্ন প্ৰান্তত অভিযান অব্যাহত ৰাখিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পিছফালৰ ব্ৰহ্মপুত্ৰ নৈত এছ ডি আৰ এফ আৰু এন ডি আৰ এফ বাহিনীয়ে শ্ৰীবৰুৱাৰ সন্ধানত অভিযান চলায়। অৱশ্যে এইপৰ্যন্ত সংগীত পৰিচালকগৰাকীৰ শুংসূত্ৰ ওলোৱা নাই। প্ৰায় ৩৬ ঘণ্টা উকলি যোৱাৰ পাছতো বৰুৱাৰ সন্ধান নোলোৱাক লৈ আত্মীয়-স্বজনৰ লগতে শুভাকাংক্ষীসকল উদ্বিগ্ন হৈ পৰিছে। আজিও শিল্পীগৰাকীৰ সন্ধানত আৰক্ষীৰ লগতে এন ডি আৰ এফ বাহিনীয়ে ব্ৰহ্মপুত্ৰৰ নামনিৰ ভিন্ন প্ৰান্তত অভিযান চলাব। যোৱা নিশা মহানগৰ আৰক্ষীয়ে স্নিফাৰ ডগৰ সহায়ত মহানগৰীৰ বিভিন্ন অংশত শ্ৰীবৰুৱাক বিচাৰি অভিযান চলায়।

০০০০০০০

দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহৰ বাবে মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া চলিত বৰ্ষৰ ১৫ ছেপ্তেম্বৰ পৰ্যন্ত মুকলি থাকিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এই সন্দৰ্ভত প্ৰকাশ কৰা মতে পদ্ম বঁটাৰ বাবে মনোনয়ন আৰু পৰামৰ্শসমূহ ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলত অনলাইন ব্যৱস্থাৰ জৰিয়তে গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী হিচাপে অভিহিত এই পদ্ম বঁটাসমূহ হ'ল - দেশৰ সৰ্বোচ্চ পৰ্যায়ৰ অসামৰিক সন্মান। ১৯৯৫ চনত প্ৰৱৰ্তন কৰা এই বঁটাসমূহ প্ৰতি বছৰে গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি ঘোষণা কৰা হয়। কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, ভেষজ, সামাজিক কৰ্ম, বাণিজ্য আৰু উদ্যোগ তথা বিজ্ঞান আৰু অভিযান্ত্ৰিক ক্ষেত্ৰলৈ আগবঢ়োৱা বিশিষ্ট তথা ব্যতিক্ৰমী সেৱাৰ প্ৰতি স্বীকৃতি প্ৰদানৰ উদ্দেশ্যে এই বঁটাসমূহ আগবঢ়োৱা হয়। উল্লেখযোগ্য যে চিকিৎসক আৰু বিজ্ঞানীসকলৰ বাহিৰে ৰাজহুৱা খণ্ডৰ অন্তৰ্গত প্ৰতিষ্ঠানত কৰ্মৰত লোকসকলকে ধৰি চৰকাৰী চাকৰিয়ালসকল এই বঁটাৰ বাবে মনোনীত নহয়।

০০০০০০০০০

ব্ৰিটেইনৰ বিদেশ মন্ত্ৰী ডেভিদ লেমি আজি দুদিনীয়া ভাৰত ভ্ৰমণসূচীৰে দিল্লীত উপস্থিত হ'ব। বিদেশ মন্ত্ৰীগৰাকীয়ে ভ্ৰমণ কালত সৰ্বাত্মক কৌশলগত সহযোগিতা সুদৃঢ় কৰা আৰু ভাৰত-ব্ৰিটেইন মুক্ত বাণিজ্য চুক্তি সম্পৰ্কে আলোচনা কৰিব। ব্ৰিটেইনত প্ৰধানমন্ত্ৰী কিৰ ষ্টাৰ্মাৰৰ নেতৃত্বত লেবাৰ পাৰ্টীৰ চৰকাৰ গঠন হোৱাৰ পাছত এয়া দুয়োখন দেশৰ মাজত উচ্চ পৰ্যায়ৰ প্ৰথম আলোচনা হ'ব। অভ্যাগত বিদেশ মন্ত্ৰীগৰাকীয়ে আজি বিয়লি বিদেশ

মন্ত্ৰী ড০ এছ্ জয়শংকৰক সাক্ষাৎ কৰিব। শ্ৰীলেমিয়ে বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেল আৰু ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালৰ সৈতে আলোচনাত মিলিত হোৱাৰ কথা আছে। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকো সাক্ষাৎ কৰিব। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কিৰ ষ্টাৰ্মৰৰ মাজত ৬ জুলাইত ফোনযোগে হোৱা বাৰ্তালাপৰ সময়ত দুয়োগৰাকী নেতাই উভয় দেশৰ মাজৰ সহযোগিতা সুদৃঢ় কৰাৰ বাবে আৰু ২০৩০ চনৰ বাবে পৰিকল্পনা সম্পৰ্কে আলোচনা কৰিছিল। প্ৰধানমন্ত্ৰীদ্বয়ে প্ৰতিৰক্ষা, গুৰুত্বপূৰ্ণ তথা নতুন প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তনকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা গভীৰ কৰি তুলিবলৈ সন্মতি প্ৰকাশ কৰিছিল।

০০০০০০০০

চৰাইদেউ মৈদাম ক্ষেত্ৰই ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰই স্বীকৃতি লাভ কৰাটো প্ৰায় নিশ্চিত হৈ পৰিছে। ২১ জুলাইৰ পৰা নতুন দিল্লীত অনুষ্ঠিত ইউনেস্কোৰ ৪৬ সংখ্যক অধিৱেশনৰ যিকোনো এটা দিনত এই স্বীকৃতি ঘোষণাৰ সম্ভাৱনা আছে। ৩১ জুলাইলৈকে হ'বলগীয়া এই অধিৱেশনত ভাৰতকে ধৰি ১৫০ খন দেশে অংশগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে চৰাইদেউৰ মৈদাম ক্ষেত্ৰক ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে সকলো পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০০

মীন মন্ত্ৰী কেশৱ মহন্ত মীন বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে কালি এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত মীন খণ্ডৰ উন্নয়নৰ সৈতে জড়িত বিভিন্ন গুৰুত্বপূৰ্ণ আঁচনি তথা প্ৰকল্প সন্দৰ্ভত আলোচনা কৰা হয়। ৰাজ্যিক মীন নীতি প্ৰণয়ন, মাছৰ পোণা সম্পৰ্কীয় আদৰ্শ সঞ্চালন প্ৰণালী প্ৰৱৰ্তন, নতুন মীন প্ৰকল্পৰ বাবে কেন্দ্ৰীয় পুঁজি আহৰণ তথা মীন পালন ক্ষেত্ৰৰ সম্প্ৰসাৰণত ব্যক্তিগত খণ্ডৰ বিনিয়োগ আদি বিষয়ে বৈঠকত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে ৰাজ্যত মীন পালন সুংগঠিত ৰূপত আগবঢ়াই নিয়াৰ উদ্দেশ্যে মীন নীতি সমূহ সঠিকভাৱে যুগুতাবলৈ সংশ্লিষ্ট বিষয়াসকললৈ নিৰ্দেশ দিয়ে। বৈঠকত মীন বিভাগৰ আয়ুক্ত সচিব, সঞ্চালক তথা অসম মীন উন্নয়ন নিগম আৰু ফিছফেডৰ কেইবাগৰাকীও বিষয়া উপস্থিত থাকে।

০০০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি লখিমপুৰৰ গোগামুখ মণ্ডলৰ  ২০২৩ বৰ্ষৰ হাইস্কুল শিক্ষান্ত তথা উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মেধাৱী শিক্ষাৰ্থীসকলক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ চেক প্ৰদান কৰে। গোগামুখৰ চেতিয়া গাঁৱত আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এই অনুদানে শিক্ষাৰ্থীসকলৰ শিক্ষা গ্ৰহণৰ পথত সহায় কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০০

পৰিৱেশ তথা বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী ধুবুৰী জিলাত প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল সন্দৰ্ভত এখন পৰ্যালোচনামূলক বৈঠকত মিলিত হয়। বৈঠকত সমাগত অমৃত বৃক্ষ আন্দোলন, ২০২৪-ৰ প্ৰস্তুতি সন্দৰ্ভতো পৰ্যালোচনা কৰা হয়। ধুবুৰী জিলা প্ৰশাসন তথা বন বিভাগৰ কেইবাগৰাকীও বিষয়াই আলোচনাত অংশগ্ৰহণ কৰে।

০০০০০০০০

অধ্যাপক যতীন শৰ্মাক বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ৰেক্টৰ হিচাপে নিযুক্তি দিয়া হৈছে। বিশ্ববিদ্যালয়খনৰ বায়' টেকন'লজী বিভাগত তেওঁ অধ্যাপক হিচাপে কৰ্মৰত আছিল।

০০০০০০০০

ভাৰতে কালি শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত নেপালক ৮২ ৰাণত পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। নেপালে ১৭৯ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ৯৬ ৰাণ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ দিপ্তী শৰ্মাই তিনিটা উইকেট দখল কৰাৰ বিপৰীতে ৰাধা যাদৱ আৰু অৰুন্ধতী ৰেড্ডীয়ে দুটাকৈ উইকেট লাভ কৰে।

ইয়াৰ আগেয়ে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ শ্বেফালি বাৰ্মাৰ ৮১ আৰু দয়ালন হেমলতাৰ ৪৭ ৰাণৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত তিনিটা উইকেটৰ বিনিময়ত ১৭৮ ৰাণ কৰে। শ্বেফালি বাৰ্মা আৰু হেমলতাই প্ৰথম উইকেটৰ যুটীত ১২২ ৰাণ সংগ্ৰহ কৰে। শ্বেফালি বাৰ্মাক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাৰ গ্ৰুপ এৰ পৰা ভাৰত আৰু পাকিস্তানে ইতিমধ্যে ছেমি ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে নেপাল আৰু ইউ এ ই প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০০০০০

দুলীয়াজান মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰাক্তন মুৰব্বী ড° ৰীণা শৰ্মাৰ যোৱানিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। যাদৱপুৰ বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী গ্ৰহণ কৰা ড° ৰীণা শৰ্মা নতুন দিল্লীৰ অসম এছ'চিয়েচন, উৰুলি, সৃষ্টি, ইন্‌লি ফাউণ্ডেচন, সমন্বয় আদিকে ধৰি কেইবাটাও সংস্থাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ।

oooooooo

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে মঙলবাৰে লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট দাখিল কৰে। এই বাতৰিটো **দৈনিক অসম** কাকতে 'লক্ষ্য ঃ মিত্ৰ-তোষণ, নৰপ্ৰজন্মক আকৰ্ষণ' শীৰ্ষক শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে 'সহযোগীক সন্তুষ্টিৰে ভাৰসাম্যৰ বাজেট' শীৰ্ষক শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। First Budget of Modi 3.0 govt presented শীৰ্ষক শিৰোনামেৰে **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শাসনত ৰাজ্যত অভাৱনীয় হাৰত হ্ৰাস পাইছে অপৰাধৰ গোচৰ। ২০১৯ চনত ১ লাখ ৩২ হাজাৰ ৮৭৭টা গোচৰৰ বিপৰীতে চলিত বৰ্ষৰ জুন মাহ পৰ্যন্ত মাত্ৰ ২৫ হাজাৰ ৭৯টা গোচৰ ৰুজু হোৱাৰ তথ্য আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে প্ৰকাশ কৰিছে। এই বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

APSCৰ কৃষি বিষয়া বাছনি কেলেংকাৰিৰ দোষীৰ শাস্তিক লৈ শুনানি। **দৈনিক অগ্ৰদূত** কাকতে দোষী সাব্যস্ত হোৱাৰ পাছত মুখত ফুটিছে মানৱীয়তাৰ কথা শীৰ্ষক শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

সন্ধান ওলোৱা নাই বিশিষ্ট সংগীত পৰিচালক ৰমেন বৰুৱাৰ। সোমবাৰে দিনৰ চাৰে ১০ বজাৰ পৰা সন্ধানহীন হৈ আছে বিশিষ্ট সংগীত পৰিচালকগৰাকী। এই বাতৰিটো **আমাৰ অসম** কাকতে সুৰকাৰৰ সন্ধান নাই জলে-স্থলে অভিযান শীৰ্ষক শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। শিল্পীগৰাকীৰ নিৰুদ্দেশৰ বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে যেন বতাহৰ সৈতে মিলি গ'ল ৰমেন দা শীৰ্ষক শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এয়া আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিৰ চমু অৱলোকন।

oooooooo

অহা ২৬ জুলাইৰ পৰা ফ্ৰান্সৰ ৰাজধানী পেৰিছত অলিম্পিক ২০২৪ অনুষ্ঠিত হ'ব। বিশ্বৰ ২০৬খন দেশৰ প্ৰায় ১০ হাজাৰ ৫০০ গৰাকী ক্ৰীড়াবিদে পেৰিছ অলিম্পিকত অংশ ল'ব। ভাৰতৰ ১১৭গৰাকী খেলুৱৈ ইতিমধ্যে পেৰিছত উপস্থিত হৈছে। দেশৰ হৈ অসম কন্যা লাভলীনা বৰগোহাঁই বক্সিঙৰ ৭৫ কিলোগ্ৰাম শাখাত অংশগ্ৰহণ কৰিব। দ্বিতীয় বাৰৰ বাবে অলিম্পিকত পদক জয়ৰ লক্ষ্যৰে লাভলীনা পেৰিছত উপস্থিত হৈছে। লাভলীনাৰ সাফল্য কামনা কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, ক্ৰীড়া মন্ত্ৰী নন্দিতা গাৰ্লোছা আৰু অসম অলিম্পিক সংস্থাই গামোছাত স্বাক্ষৰেৰে লাভলীনা বৰগোঁহাইলৈ শুভেচ্ছা জনাইছে।

oooooooo

সমাপ্ত